
স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

৮ শক □ ১৪৩৩ ভাস্কৰাব্দ □ ৪ আগষ্ট ২০২৬ চন □ VOL-16 □ NO-151 □ TUESDAY 4 AUGUST 2026 (ডিব্ৰুগড় সংস্কৰণ/

## মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ২ লাখ টকা বৰঙনি কানৈ মহাবিদ্যালয়ৰ

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৩ আগষ্ট ঃ** সমাজৰ দুৰ্যোগৰ সময়ত সামাজিক দায়বদ্ধতাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰি ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত ডি এইচ এছ কানৈ মহাবিদ্যালয় স্বায়ত্তশাসিতৰ-এ অসমৰ সাম্প্ৰতিক প্ৰলয়ংকৰী বানপানীৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ পুঁজিৰ পৰা ২ লাখ টকা মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়ায়। এই উপলক্ষে ২ আগষ্টৰ নিশা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি এই অনুদানৰ চেক আনুষ্ঠানিকভাৱে প্ৰদান কৰে। সাক্ষাৎকালত মুখ্যমন্ত্ৰীগৰাকীয়ে আন্তৰিকতাৰে মহাবিদ্যালয়ৰ প্ৰতিনিধি দলৰ সৈতে মত-বিনিময় কৰাৰ লগতে মহাবিদ্যালয়খনৰ শৈক্ষিক, গৱেষণা আৰু সামগ্ৰিক উন্নয়ন সম্পৰ্কে বিস্তৃতভাৱে বুজ লয়। সাক্ষাৎৰ সময়ত মহাবিদ্যালয়খনৰ যোৱা এটা দশকৰ উন্নয়ন, প্ৰগতি আৰু অগ্ৰগতিক লৈ প্ৰকাশিত 'উত্তৰণ' শিৰোনামৰ বিশেষ গ্ৰন্থখন মুখ্যমন্ত্ৰীগৰাকীয়ে গভীৰ আগ্ৰহেৰে পৰ্যবেক্ষণ কৰি



ইয়াক এক ব্যতিক্ৰমী আৰু মূল্যৱান প্ৰকাশ বুলি অভিহিত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কানৈ মহাবিদ্যালয়ৰ ধাৰাবাহিক সফলতা, নতুন সৃষ্টি, উদ্ভাৱন আৰু প্ৰযুক্তিৰ শেহতীয়া উত্তৰণ তথা মহাবিদ্যালয়খনৰ সামগ্ৰিক উত্তৰণ সম্পৰ্কে অৱগত হৈ আহিছে বুলি অধ্যক্ষগৰাকীক অৱগত কৰে। মনকৰিবলগীয়া যে মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত বিভিন্ন গ্ৰন্থ, চলিত বৰ্ষত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত শ্ৰেষ্ঠ আলোচনী ৰূপে পুৰস্কৃত হোৱা 'কানৈয়ান' আৰু শেহতীয়াকৈ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ দ্বাৰা প্ৰকাশিত 'কেনেকৈ নিঃশেষ হয় এটা জাতি', 'চেতনাহীন জাতিৰ ভৱিষ্যত', 'সপোন কেনেকৈ দিঠক হয়' তিনিখন নতুন গ্ৰন্থ মুখ্যমন্ত্ৰীগৰাকীক উপহাৰ হিচাপে প্ৰদান কৰা হয়। এই সাক্ষাৎৰ সময়ত ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক তথা অসমৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন, কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী আৰু শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন উপস্থিত থাকে।

বগৰীত

সত্ৰা
দায়িত্ব
ডা

নিয়মীয়া বাৰ্ত
চাবুৱা বাজ
বগৰীতলীয়া
শ্ৰীশ্ৰী মায়াম
খালি হৈ থ
আসনৰ দায়ি
ভক্ত সমাজে
খ্ৰীষ্টাব্দত প্ৰ
দেওবাৰে ৰাই
সম্পন্ন হোৱ
অনুসৰি
আসনাধিষ্ঠ ক
ব্ৰহ্মানন্দ ডাঙ
বাকৰিত
উদ্যোগত ক
কাৰ্যকৰী
সত্ৰাধিকাৰে
সম্পন্ন কৰি
পৰা গৈছে।
প্ৰধান শিক্ষ
জনতা দলৰ
গাঁও পঞ্চা